**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2024
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাক বৰ্তমানৰ শতিকাত মানৱ জাতিৰ বাবে কোড লিখাৰ নিৰ্ণায়ক শক্তি বুলি অভিহিত কৰিছে।

২। চৰকাৰে ঋণৰ ৯৯ শতাংশ মূলধনী ব্যয় আৰু মূলধনী সম্পত্তিৰ সৃষ্টিৰ বাবে ব্যৱহাৰ কৰি আহিছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে।

৩। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত মহিলাৰ কল্যাণৰ বাবে অভিলেখ পৰিমাণৰ ৪ লাখ কোটিৰো অধিক ধন আৱণ্টন কৰা হৈছে

৪। দেশত বৰ্তমানলৈকে ৯০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ স্বয়ংচালিত পথেৰে আহিছে।

***আৰু***

৫। পংকজ আদৱানিয়ে মধ্য প্ৰদেশত অনুষ্ঠিত ভাৰতীয় স্নুকাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ৰূপান্তৰকাৰী প্ৰভাৱৰ বিষয়ে আলোকপাত কৰি ইয়াক বৰ্তমানৰ শতিকাত মানৱ জাতিৰ বাবে কোড লিখাৰ নিৰ্ণায়ক শক্তি বুলি অভিহিত কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ৰ সৈতে পেৰিছত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত সহ অধ্যক্ষতা কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তা পূৰ্বৰ প্ৰযুক্তিসমূহৰ লেখিয়া নহয় আৰু ইয়াৰ ক্ষেত্ৰত শাসনৰ বাবে গোলকীয় দায়িত্ব আৰু সৰ্বাত্মক দৃষ্টিভংগীৰ প্ৰয়োজন। শ্ৰীমোদীয়ে স্বাস্থ্য সেৱা, শিক্ষা আৰু কৃষি ক্ষেত্ৰত বিপ্লৱৰ সূচনাৰে স্থায়ী বিকাশৰ লক্ষ্যৰ যাত্ৰা অধিক দ্ৰুত আৰু প্ৰভাৱশালী কৰি কোটি কোটি লোকৰ জীৱন উন্নত কৰাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। তেওঁ লগতে প্ৰযুক্তিসমূহৰ গণতন্ত্ৰকৰণ, জনসাধাৰণকেন্দ্ৰিক এপ্লিকেচনৰ বিকাশ আৰু সকলোৰে বাবে, বিশেষকৈ গ্লোৱেল ছাউথ হিচাপে পৰিচিত ঔদ্যোগিক দিশৰ পৰা কম উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ উপকাৰ সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কৃত্ৰিম বুদ্ধিমত্তাক আঁকোৱালি লোৱাৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰণী ভূমিকাৰ ওপৰত আলোকপাত কৰাৰ লগতে দেশৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ বিষয়ে আলোচনা কৰে। সৰ্বাত্মকতাৰ বিষয়ত আলোকপাত কৰি শ্ৰীমোদীয়ে জনসাধাৰণৰ কল্যাণৰ বাবে কৃত্ৰিম

বুদ্ধিমত্তা বিকশাই তোলাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতৰ বিশ্বৰ সবাতোকৈ বৃহৎ কৃত্ৰিম বুদ্ধিমত্তা প্ৰতিভা গোট আছে আৰু দেশে ভিন ভিন ভাষিক আৰু সাংস্কৃতিক আৱশ্যকতা অনুযায়ী বিশাল ভাষাৰ আৰ্হি বিকশাই তোলাৰ বাবে কাম কৰি আছে। শ্ৰীমোদীয়ে ভাষণৰ সামৰণিত কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যৎ চাবিকাঠী যন্ত্ৰ নহয়, মানুহহে বুলি মন্তব্য কৰে। তেওঁ বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলক দায়িত্বশীলতাৰে কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশ প্ৰক্ৰিয়াক আগবঢ়াই নিবলৈ আহ্বান জনায়।

ooooo

ৰাজ্যসভাত আজি ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ ভাগৱৎ কৰাডে কয়, যে চৰকাৰে গ্ৰহণ কৰা সক্ৰিয় ব্যৱস্থাৰ বাবে বিত্তীয় ঘাটি দশমিক ৪ শতাংশ হ্ৰাস পাইছে। প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাই আঁচনিসমূহৰ লাভ প্ৰকৃত হিতাধিকাৰীৰ পৰিৱৰ্তে আন লোকে লাভ কৰাৰ সুৰুঙা ৰোধ আৰু ৰাজকোষৰ ধন ৰাহি কৰাত সহায় কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আলোচনাত অংশ লৈ এন চি পিৰ প্ৰফুল পেটেলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অনাগত সময়ত দেশ বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হ'ব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশত আন্তঃগাঁথনি আৰু অন্য খণ্ডসমূহত চকুত লগা ধৰণৰ প্ৰগতি হৈছে।

বাজেট সন্দৰ্ভত কংগ্ৰেছৰ চন্দ্ৰকান্ত হণ্ডোৰেই কয়, যে দেশৰ ৭০ শতাংশ লোকৰ বাবে পৰিকল্পনা কৰা কল্যাণমূলক আঁচনিসমূহ বাস্তৱিক পৰ্য্যায়ত পূৰ্ণৰূপে ৰূপায়ণ হোৱা নাই। তেওঁ লগতে কয়, যে চৰকাৰে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আবণ্টিত পুঁজি ব্যৱহাৰ নকৰা বা আন কামত ব্যৱহাৰ কৰাৰ বাবে জগৰীয়াসকলক শাস্তি প্ৰদানৰ বাবে এখন আইন প্ৰণয়ন কৰা উচিত। দেশৰ প্ৰতিখন জিলাত ড০ আম্বেদকাৰ ভৱন নিৰ্মাণ কৰিবলৈ তেওঁ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

ooooo

২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত মহিলাৰ কল্যাণৰ বাবে অভিলেখ পৰিমাণৰ ৪ লাখ কোটিৰো অধিক ধন আৱণ্টন কৰা হৈছে আৰু এই পৰিমাণ যোৱা বিত্তীয় বৰ্ষৰ তুলনাত ৩৭ শতাংশ অধিক বুলি মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে উল্লেখ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা উদ্যমীসকল দেশৰ অৰ্থনৈতিক প্ৰগতিৰ আঁৰৰ চালিকা শক্তিস্বৰূপ। লিংগ সমতা আৰু মহিলাৰ বিকাশৰ প্ৰসাৰৰ উদ্দেশ্যে বিশ্লেষণৰ ওপৰত ভিত্তি কৰি লিংগ বাজেট শিতানত ধাৰ্য্য কৰা ধন মুঠ বাজেটৰ ৮ দশমিক ৮-৬ শতাংশ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ ১৮ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ সপ্তম পোষণ পখেকৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰে। এই সময়ছোৱাত নৱ জাতকৰ প্ৰথম এহেজাৰ দিন আৰু শিশুসকলৰ মেদবহুলতাৰ সমস্যা ৰোধ কৰাৰ বাবে সুস্থ জীৱনশৈলীৰ লেখিয়া বিষয়সমূহত গুৰুত্ব আৰোপ কৰা হ'ব।

ooooo

গাঁৱৰ জৰীপ আৰু অত্যাধুনিক প্ৰযুক্তিৰে মানচিত্ৰ প্ৰস্তুতকৰণ - স্বামীত্ব আঁচনিৰ অধীনত বৰ্তমানলৈকে ২ কোটি ৩৫ লাখৰো অধিক সম্পত্তি কাৰ্ড বিতৰণ কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত আজি পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰফেচাৰ এছ পি সিং বাঘেলে এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই যোৱা ১৮ জানুৱাৰীত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ ৫২ হাজাৰ খন গাঁৱত ৬৫ লাখ কাৰ্ডৰ ই-বিতৰণ প্ৰক্ৰিয়াৰ তদাৰক কৰে। প্ৰায় ৩ লাখ ১৮ হাজাৰ গাঁৱৰ ড্ৰ'ণ জৰীপ সম্পূৰ্ণ হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

দেশত বৰ্তমানলৈকে ৯০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ স্বয়ংচালিত পথেৰে আহিছে। বাণিজ্য আৰু উদ্যোগ ৰাজ্য মন্ত্ৰী যতীন প্ৰসাদে আজি লোকসভাত এটা লিখিত উত্তৰযোগে এই কথা সদৰী কৰে। তেওঁ কয়, যে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ বাবে স্বচ্ছ, অনুমেয় আৰু সৰল-সৰ্বাত্মক নীতি পৰিকাঠামোৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিৰক্ষা, বীমা, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, দূৰসংযোগ আৰু মহাকাশকে ধৰি বিভিন্ন ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী বিনিয়োগ নীতিৰ সংস্কাৰ সাধন কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীপ্ৰসাদে কয়, যে প্ৰতিৰক্ষা খণ্ডত স্বয়ংক্ৰিয় পথেৰে ৭৪ শতাংশ পৰ্য্যন্ত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি প্ৰদান কৰা হৈছে। পূৰ্বতে এই হাৰ ৪৯ শতাংশ আছিল। তেওঁ কয়, যে এইবাৰৰ কেন্দ্ৰীয় বাজেটত বীমা খণ্ডৰ বাবে থকা প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সীমা ৭৫ শতাংশৰ পৰা ১০০ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়া হৈছে।

০০০০০

ভাৰত য়ুনানী চিকিৎসা পদ্ধতিৰ শিক্ষা, গৱেষণা, চিকিৎসা আৰু ঔষধ প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বিশ্বৰ অগ্ৰণী স্থানত আছে। নতুন দিল্লীত আজি বিয়লি দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় য়ুনানী দিৱস সন্মিলন মুকলি কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে য়ুনানী চিকিৎসা এতিয়া  গ্ৰীচ আৰু মধ্য এছিয়াৰ ৰাষ্ট্ৰসমূহতকৈও ভাৰততহে অধিক ব্যৱহাৰ হয়। তেওঁ কয়, যে দেশে স্বাস্থ্যৰ প্ৰতি সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিছে আৰু যোগ্য সন্মান প্ৰদান কৰি ভিন ভিন চিকিৎসা পদ্ধতিসমূহ সৰল কৰি তোলাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০১৭ অনুযায়ী য়ুনানীসহ আয়ুষ চিকিৎসা পদ্ধতিসমূহক মূল সূতিলৈ অনাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

০০০০০

সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টি পৰিষদ জি এছ্ টিৰ শ্ৰেণী বিভাজন আৰু কৰাৰোপণৰ সিদ্ধান্ত ৰূপায়ণৰ সাংবিধানিক কৰ্তৃপক্ষ বুলি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে। ৰাজ্য সভাত আজি পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয়, যে জি এছ্ টিৰ শ্ৰেণী বিভাজনৰ সিদ্ধান্ত একপক্ষীয় নহয়, বৰং পৰিষদৰহে সিদ্ধান্ত। তেওঁ কয়, যে সংশ্লিষ্ট ৰাজ্যৰ বিত্ত মন্ত্ৰীসকলে পৰিষদৰ ওচৰত নিজৰ বিষয়সমূহ উত্থাপন কৰিব পাৰে। জি এছ্ টিৰ হাৰ যথেষ্ট হ্ৰাস পাইছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

পংকজ আদৱানিয়ে মধ্য প্ৰদেশত আয়োজিত ভাৰতীয় স্নুকাৰ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। এয়া আছিল তাৰকা স্নুকাৰ খেলুৱৈগৰাকীৰ সামগ্ৰিকভাৱে ৩৬ সংখ্যক ৰাষ্ট্ৰীয় খিতাপ আৰু দশমটো পুৰুষৰ স্নুকাৰ খিতাপ। মধ্য প্ৰদেশৰ যাছৱন্ত ক্লাবত আয়োজিত প্ৰতিযোগিতাখনৰ ফাইনেল খেলখনত পংকজে ব্ৰীজেশ ডামানীক ৫-১ ফলাফলত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। এই বিজয়ৰ লগে লগে অভিজ্ঞ খেলুৱৈগৰাকীয়ে সমাগত এছিয়ান আৰু ৱৰ্ল্ড চেম্পিয়নশ্বিপত অংশগ্ৰহণ সুনিশ্চিত কৰিলে। অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া এছিয়ান স্নুকাৰ প্ৰতিযোগিতাত আদৱানিৰ লগতে ব্ৰীজেশ ডামানীয়েও প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

চীনৰ ছিংদাওত আজিৰে পৰা এছিয়া মিক্সড টীম বেডমিণ্টন চেম্পিয়নশ্বিপ-২০২৫ আৰম্ভ হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ১২ খন দেশক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। ভাৰত, দক্ষিণ কোৰিয়া আৰু মাকাও চাইনাৰ সৈতে গ্ৰুপ ডিত অন্তৰ্ভুক্ত হৈছে। কাইলৈ ভাৰত মাকাওৰ বিৰুদ্ধে প্ৰথমখন খেলত অৱতীৰ্ণ

হ'ব। ভাৰতীয় তাৰকা খেলুৱৈ লক্ষ্য সেন আৰু এইচ এছ্ প্ৰণয়ে পুৰুষৰ একক শিতানত আৰু মালৱিকা বনচোড়ে মহিলাৰ একক শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। পুৰুষৰ ডাবলছ্ শাখাত সাত্তিক চাইৰাজ ৰণকী ৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটী আৰু মহিলাৰ ডাবলছ্ত তৃশা জলী আৰু গায়ত্ৰী গোপীচান্দ তথা অশ্বিনী পোনাপ্পা আৰু তনিশা ক্ৰাস্তোৰ যুটী দুটাই ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০

সমাপ্ত